**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 21-06-2025 **Time :** 0900Hrs.

## Assamese Morning Bulletin
## Headlines

১। দেশ-বিদেশত একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন। অন্ধ্ৰ প্ৰদেশৰ বিশাখাপট্টনমত যোগ দিৱসৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণ।

২। যোগ দিৱসৰ ৰাজ্যিক কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ যোগৰ জৰিয়তে সুস্থ শাৰীৰিক আৰু মানসিক স্বাস্থ্যত আলোকপাত।

৩। অসম লোকসেৱা আয়োগৰ পৰীক্ষাত হোৱা অনিয়মৰ গোচৰত বৰ্খাস্ত ৫২ গৰাকী চৰকাৰী বিষয়াৰ চাকৰি বাহাল ৰাখিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

৪। ফ্ৰান্সত অনুষ্ঠিত পেৰিছ ডায়মণ্ড লীগত ৮৮ দশমিক ১ - ৬ মিটাৰলৈ জেভলিন দলিয়াই নীৰজ চোপ্ৰাৰ স্বৰ্ণ পদক অৰ্জন।

*আৰু*

৫। হেডিংলি টেষ্টত য়শস্বী জয়ছোৱাল আৰু শুভমন গীলৰ শতকৰ জৰিয়তে প্ৰথম ইনিংছত ভাৰতৰ শক্তিশালী স্থিতি।

০০০০০০০

দেশ বিদেশত আজি একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা অন্ধ্ৰ প্ৰদেশৰ বিশাখাপট্টনমত একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীত অংশ লয়। শ্ৰী মোদীয়ে তেওঁৰ ভাষণত কয়, যে যোগে সমগ্ৰ বিশ্বকে একত্ৰিত কৰিছে। তেওঁ কয়, যে সমগ্ৰ বিশ্ব বৰ্তমান বিভিন্ন সমস্যাৰ মাজেৰে আগবাঢ়িছে আৰু এনে পৰিস্থিতিত যোগে শান্তিৰ পথ দেখুৱাইছে।

বাইট (পি এম)

অসমতো যোগ দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বাক্সা জিলাৰ শালবাৰী মহাবিদ্যালয়ৰ খেলপথাৰত আজি পুৱা আয়োজিত ৰাজ্য চৰকাৰৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

বাইট

উল্লেখযোগ্য যে, ৰাজ্যিক বিজেপিৰ ৪৩৪ টা সাংগঠনিক মণ্ডলত যোগ দিৱসৰ আয়োজন কৰা হৈছে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই গুৱাহাটী মহানগৰৰ ৰাজধানী মণ্ডল, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক জি আৰ ৰবীন্দ্ৰ ৰাজুৱে দিছপুৰ মণ্ডলত তথা অন্যান্য মন্ত্ৰী, সাংসদ, বিধায়ক আৰু জ্যেষ্ঠ নেতৃবৃন্দই ভিন ভিন স্থানত যোগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে।

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনত গুৱাহাটীৰ কেন্দ্ৰীয় যোগাযোগ ব্যুৰোৰ উদ্যোগত গুৱাহাটী ৰিফাইনেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোগ দিৱসৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত পদ্মভূষণ সন্মানেৰে

সন্মানিত নৃত্যাচাৰ্য যতীন গোস্বামী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত বিশেষজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা বিভিন্ন যোগ কৌশল প্ৰদৰ্শন কৰা হয়।

হোজাই জিলা প্ৰশাসনৰ উদ্যোগত আৰু লাচিত যোগ কেন্দ্ৰৰ সহযোগত এই দিৱস পালন কৰা হৈছে।

বৰপেটা জিলাত যোগ দিৱস উপলক্ষে পুৱা সমূহীয়া যোগাভ্যাস কৰা হৈছে। এই কাৰ্যসূচীত যোগৰ প্ৰসাৰৰ ক্ষেত্ৰত স্বেচ্ছামূলকভাৱে কাম কৰি থকা জিলাখনৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধি আৰু অন্যান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰিছে।

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত মিৰ্জাৰ শ্বহীদ ভৱনত এই দিৱস উদযাপন কৰা হৈছে। একেদৰে শিলচৰ, গোৱালপাৰা, বিশ্বনাথ, কলিয়াবৰকে ধৰি বিভিন্ন স্থানত যোগ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে।

0000000

অসম লোকসেৱা আয়োগৰ পৰীক্ষাত হোৱা অনিয়মৰ গোচৰত বৰ্খাস্ত ৫২ গৰাকী চৰকাৰী বিষয়াৰ চাকৰি বাহাল ৰাখিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছে। উচ্চ ন্যায়ালয়ে কালি বহুসংখ্যক আপীল আবেদনৰ শুনানি লৈ পূৰ্বৰ এজনীয়া বিচাৰপীঠৰ ৰায় আংশিকভাৱে খাৰিজ কৰি বৰ্খাস্ত হোৱা বিষয়াসকলক পুনৰ চাকৰিত মকৰল কৰাৰ নিৰ্দেশ জাৰি কৰে। নিৰ্দেশনাত ন্যায়ালয়ে চাকৰি ঘূৰাই পালেও তেওঁলোকে বৰ্খাস্ত হোৱাৰ সময়ছোৱাৰ দৰমহাকে ধৰি অন্যান্য সা-সুবিধা লাভ নকৰিব বুলি উল্লেখ কৰে। এই বিষয়াসকলৰ বিৰুদ্ধে চৰকাৰে বিভাগীয় কাৰ্যব্যৱস্থা আৰম্ভ কৰিব পাৰিব বুলি উল্লেখ কৰি ন্যায়ালয়ে বিষয়াসকলৰ বিৰুদ্ধে ফৌজদাৰী ব্যৱস্থা গ্ৰহণত এই নিৰ্দেশনাই বাধাৰ সৃষ্টি নকৰে বুলি স্পষ্ট কৰি দিয়ে। অৱশ্যে অসম আৰক্ষী সেৱাৰ পদত প্ৰবেচনৰ সময়সীমা সম্পূৰ্ণ নকৰা বিষয়াসকলে চাকৰি ঘাৰাই নাপাব। তেওঁলোকক চাকৰিৰ পৰা বৰ্খাস্তৰ নিৰ্দেশ প্ৰত্যাহাৰ কৰি ইয়াৰ পৰিৱৰ্তে তেওঁলোক চাকৰিৰ বাবে যোগ্য নহয় বুলি আন এটা নিৰ্দেশ জাৰি কৰিবলৈ উচ্চ ন্যায়ালয়ে ৰায়দানত উল্লেখ কৰে। উল্লেখযোগ্য যে ৰাকেশ কুমাৰ পাল অসম লোকসেৱা আয়োগৰ অধ্যক্ষ হৈ থকা অৱস্থাত ধনৰ বিনিময়ত চাকৰি লোৱাৰ অভিযোগত অসম প্ৰশাসনীয় সেৱাৰ বিষয়াকে ধৰি ভালেসংখ্যক বিষয়াক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছিল। পৰৱৰ্তী পৰ্যায়ত এই বিষয়াসকলে তেওঁলোকৰ বৰ্খাস্তকৰণৰ প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ত জনোৱা আবেদন এজনীয়া বিচাৰপীঠে খাৰিজ কৰাত বিষয়াসকলে খণ্ড আদালতত আবেদন দাখিল কৰিছিল।

0000000

২০৩৫ চনৰ ভিতৰত বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত অসমক এখন আত্মনিৰ্ভৰশীল ৰাজ্য হিচাপে বিকশাই তোলাৰ বাবে ৰাজ্য চৰকাৰে দীৰ্ঘ ম্যাদী প্ৰচেষ্টা আৰম্ভ কৰিছে। অসম বিদ্যুৎ নিয়ামক আয়োগৰ প্ৰতিষ্ঠাৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিদ্যুৎখণ্ডৰ আৰম্ভণি, বিকাশ আৰু ৰূপান্তৰৰ বিভিন্ন তথ্য সম্বলিত **থাৰ্ড এম্পিয়াৰ** শীৰ্ষক এখন গ্ৰন্থৰ উন্মোচনী অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত কালি আয়োজিত এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে অসম বিদ্যুৎ নিয়ামক আয়োগৰ নতুন তথা সংযোধিত বিধি ব্যৱস্থাৰ পাঁচটা খণ্ডৰ এটা সংকলনো মুকলি কৰে। অনুষ্ঠানত ভাষণ দি তেওঁ কয়, যে ৰাজ্যত বিদ্যুতৰ সংবহন আৰু বিতৰণত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ এসময়ৰ ২৯-৩০ শতাংশৰ পৰা বৰ্তমান ১৫ দশমিক ৫ শতাংশলৈ হ্ৰাস পাইছে। বিগত ৪ বছৰত ৰাজ্যত বিদ্যুৎৰ চাহিদা বাৰ্ষিক গড়ে ১১ শতাংশকৈ বৃদ্ধি পাই আহিছে বুলিও তেওঁ জানিবলৈ দিয়ে। তেওঁ কয়, যে চাহিদাৰ এই ধাৰা

অব্যাহত থাকিলে ২০৩৫ চনলৈ ৰাজ্যখনত দৈনিক পাঁচ হাজাৰ ৫০০ মেগাৱাট বিদ্যুতৰ প্ৰয়োজন হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে নিজাববীয়াকৈ বিদ্যুৎ শক্তি আহৰণৰ দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে পাঁচ হাজাৰ মেগাৱাট সৌৰ শক্তি আহৰণৰ বাবে যাৱতীয় প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। কেন্দ্ৰীয় শক্তি মন্ত্ৰালয়ে অলপতে ৰাজ্যত তিনি হাজাৰ মেগাৱাটৰ এটা তাপবিদ্যুৎ প্ৰকল্প স্থাপনৰ বাবে অনুমোদন দিছে বুলিও তেওঁ কয়।

০০০০০০০

শক্তিপীঠ কামাখ্যা ধামত কাইলৈ অম্বুবাচী মহা যোগ আৰম্ভ হ'ব। কাইলৈ বিয়লি দুই বাজি ৫৬ মিনিচত অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ হ'ব। ২৬ জুনত নিবৃত্তিৰ লগে লগে মন্দিৰ পৰিষ্কাৰ কৰি দেৱীৰ পূজা-অৰ্চনাৰ পাছত ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। পৰ্যটন বিভাগে কামৰূপ মহানগৰ জিলা প্ৰশাসনলৈ অম্বুবাচী মেলা আয়োজনৰ বাবে চাৰি কোটি ৫৫ লাখ টকা আগবঢ়াইছে। প্ৰতিবছৰৰ দৰে এইবাৰো দেশী-বিদেশী অগণন ভক্তই এই মেলাত অংশ লোৱাৰ বাবে ভিৰ কৰা পৰিলক্ষিত হৈছে। প্ৰশাসনে ভক্তসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে অম্বুবাচী মেলা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। অম্বুবাচী মেলাৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰা –

বাইট

০০০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত সদৌ অসম যোগ ক্ৰীড়া সংস্থাৰ উপ-সভাপতি, যোগবিদ হৰিপ্ৰসাদ তালুকদাৰ আৰু যোগ প্ৰশিক্ষক হিমাদ্ৰী নাথ কটকীয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী ব্যক্তিসকলে ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীৰ সৈতে যোগ সম্পৰ্কীয় বিভিন্ন প্ৰশ্নৰ উত্তৰ বিচাৰিব পাৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই অহা ১ জুলাইত ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস বিস্তৃত কাৰ্যসূচীৰে পালনৰ আয়োজন কৰিছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে বিভাগটোৰ উত্তৰণৰ বাবে কাম কৰি যোৱা কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ বাতৰি বিভাগৰ লবীত স্থাপনৰ ব্যৱস্থা কৰিছে। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰ কেইখন ১ জুলাইত আনুষ্ঠানিকভাৱে স্থাপন কৰা হ'ব।

প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই সেইদিনা দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। সেইদিনাই সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত এটা বিচিত্ৰানুষ্ঠানৰ আয়োজন কৰিছে। উল্লেখযোগ্য যে আকাশবাণী গুৱাহাটীয়ে ৭৭ বছৰ ইতিহাসত এইয়ে প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০

ফ্ৰান্সৰ ষ্টেড ছেবাষ্টিয়েন চাৰ্লটিত অনুষ্ঠিত পেৰিছ ডায়মণ্ড লীগত ভাৰতৰ তাৰকা জেভলিন খেলুৱৈ নীৰজ চোপ্ৰাই জয়লাভ কৰিছে। দুবাৰকৈ অলিম্পিকৰ পদক বিজেতা নীৰজ চোপ্ৰাই প্ৰথমবাৰতে ৮৮ দশমিক

১-৬ মিটাৰলৈ জেভলিন দলিয়াই এই সফলতা লাভ কৰিবলৈ সমৰ্থ হয়। প্ৰতিযোগিতাত জাৰ্মানীৰ জুলিয়ান ৰেবাৰে ৮৭ দশমিক ৮-৮ মিটাৰেৰে দ্বিতীয় স্থান থাকে। নীৰজে এই বছৰত প্ৰথমবাৰৰ বাবে জুলিয়ান ৰেবাৰক পাচ পেলাবলৈ সমৰ্থ হৈছে। যোৱা মাহত অনুষ্ঠিত দোহা ডায়মণ্ড লীগত ৰেবাৰে ৯১ দশমিক ০-৬ মিটাৰলৈ জেভলিন দলিয়াই নিজৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াইছিল। প্ৰতিযোগিতাত নীৰজ চোপ্ৰাই ৯০ দশমিক ২-৩ মিটাৰলৈ জেভলিন নিক্ষেপ কৰি প্ৰথমবাৰৰ বাবে ৯০ মিটাৰৰ মাইলৰ খুঁটি অতিক্ৰম কৰিছিল।

০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত হেডিংলিত অনুষ্ঠিত এণ্ডাৰচন-টেণ্ডুলকাৰ ট্ৰফীৰ পাঁচখনীয়া শৃংখলাৰ প্ৰথমখন টেষ্ট মেচৰ আৰম্ভণিৰ দিনা কালি ভাৰতে তিনিটা উইকেটৰ বিনিময়ত ৩৫৯ ৰান সংগ্ৰহ কৰে। অধিনায়ক শুভমন গীল আৰু সহ-অধিনায়ক ঋষভ পণ্টে আজি আবেলি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব।

ভাৰতে কালি প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি য়শস্বী জয়ছোৱাল আৰু কে এল ৰাহুলৰ বেটিঙেৰে দৃঢ় আৰম্ভণি কৰে যদিও কে এল ৰাহুল ৪২ ৰান কৰি ব্ৰাইডন কাৰ্ছৰ বলত আউট হয়। অৱশ্যে য়শস্বী জয়ছোৱালে তেওঁৰ টেষ্ট ক্ৰিকেটৰ পঞ্চমটো শতক অৰ্জন কৰি চাহ বিৰতিৰ পিছত বেন ষ্টোকৰ বলত আউট হয়। কালি টেষ্ট অভিষেক ঘটা সাই সুদৰ্শনে মাত্ৰ ৪ টা বল খেলি কোনো ৰান নকৰাকৈ আউট হয়। শুভমন গীলে সুন্দৰ প্ৰদৰ্শনেৰে প্ৰথমখন টেষ্ট ক্ৰিকেটত অধিনায়ক হিচাপে শতক অৰ্জন কৰা বিজয় হাজাৰে, সুনীল গাভাস্কাৰ, দিলীপ ভেংচৰকাৰ আৰু বিৰাট কোহলীৰ পাছতে প্ৰসিদ্ধ ক্ৰিকেট খেলুৱৈৰ তালিকাত নিজৰ নাম সংযোজিত কৰে। গীলে লগতে টেষ্ট ক্ৰিকেটত দুহেজাৰ ৰান সম্পূৰ্ণ কৰে। ঋষভ পণ্টেও টেষ্ট ক্ৰিকেটত তিনি হাজাৰ ৰান অতিক্ৰম কৰে। নতুন নেতৃত্বৰ অধীনত ভাৰতৰ যুৱ ক্ৰিকেট দলটোৱে আজি দ্বিতীয় দিনা উল্লেখনীয় সফলতা লাভৰ বাবে চেষ্টা কৰিব।

০০০০০০০

News Paper REV./RNU (21-06-2025) MORN.

অসম লোকসেৱা আয়োগৰ ২০১৩-১৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত অনিয়মেৰে নিযুক্তি লাভ কৰি বৰ্খাস্ত হৈ থকা একাংশ ৰাজপত্ৰিত বিষয়াক চাকৰিত পুনৰ মকৰল কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে কালি নিৰ্দেশনা প্ৰদান কৰে। এই বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে **৫২ বৰ্খাস্ত বিষয়াক পুনৰ মকৰলৰ নিৰ্দেশ** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। অসমীয়া খবৰ কাকতৰ শিৰোনাম **এ পি এছ চিৰ বৰ্খাস্ত বিষয়াক নিযুক্তিৰ নিৰ্দেশ**। একেটা বাতৰিকে আমাৰ অসম, দৈনিক জনমভূমি, দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

২০২৬ চনৰ বিধানসভা নিৰ্বাচনলৈ মাজত কেইটামান মাহ বাকী থকা অৱস্থাত শাসনত অধিষ্ঠিত বিজেপিৰ ৰাজ্যজুৰি বৰঙণি সংগ্ৰহ অভিযান আৰম্ভ হোৱা বাতৰিটো দৈনিক অসম কাকতে **২০২৬ৰ বাবে বৃহৎ পুঁজি অভিযান** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু নলবাৰী জিলা প্ৰশাসনৰ সহযোগত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত নলবাৰীত কেন্দ্ৰীয়ভাৱে বিষ্ণু ৰাভা দিৱস উদযাপনৰ বাতৰিটো দৈনিক অগ্ৰদূত, নিয়মীয়া বাৰ্তাকে ধৰি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ছুইছ নেচনেল বেংকে প্ৰকাশ কৰা অনুসৰি ছুইছ বেংকত ভাৰতীয়ৰ জমা ধনৰ পৰিমাণ তিনি গুণ বৃদ্ধি পোৱা বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে **ছুইছ বেংকত ভাৰতীয়ৰ ৩৭ হাজাৰ ৬০০ কোটি** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

শিৱসাগৰ জিলাৰ ৰুদ্ৰ সাগৰৰ ১৪৭ নম্বৰ তৈল খাদৰ পৰা গেছ নিৰ্গমনৰ ফলত সৃষ্টি হোৱা ভয়াৱহ পৰিস্থিতি নিয়ন্ত্ৰণত সহযোগিত আগবঢ়োৱাৰ বাবে আমেৰিকাৰ এটা তিনিজনীয়া বিশেষজ্ঞ দল কালি সন্ধিয়া নিৰ্গমন স্থলীত উপস্থিত হোৱা বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে **US EXPERTS ROPED IN TO CON TROL ONGC GAS LEAK** শিৰোনামেৰে মুখ্য বাতৰিত স্থান দিছে।

বিগত এমাহত ৰাজ্যত হঠাৎ পাঁচ হাজাৰৰো অধিক বিদেশী ফে`চবুক একাউণ্ট সক্ৰিয় হৈ উঠা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সংবাদমেলত ৰাজ্যবাসীক সতৰ্ক কৰি দিয়া বাতৰিটো দ্যা ছেণ্টিনেল কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**